# Bilateral meeting of External Affairs Minister with Winston Peters, Deputy Prime Minister and Foreign Minister of New Zealand

February 26, 2020

# নিউজিলেণ্ডৰ উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক মন্ত্ৰী, উইনষ্টন পিটাৰচৰ সৈতে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ দ্বিপাক্ষিক বৈঠক

ফেব্ৰুৱাৰী 26, 2020

নিউজিলেণ্ডৰ মাননীয় উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক মন্ত্ৰী, উইনষ্টন পিটাৰচে বাণিজ্য মন্ত্ৰী ডেভিড পাৰ্কাৰ আৰু এটা বাণিজ্যিক প্ৰতিনিধীৰ দল সহ চলিত বৰ্ষৰ 25ৰ পৰা 28 ফেব্ৰুৱাৰী তাৰিখলৈ ভাৰত ভ্ৰমণৰ উদ্দেশ্যে আহি উপস্থিত হয়হি।

উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক মন্ত্ৰী গৰাকীয়ে ভাৰতীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী, এছ. জয়শংকৰৰ সৈতে ফেব্ৰুৱাৰী 26, 2020 তাৰিখে এক আলোচনাত মিলিত হৈ দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ লগতে ৰাজনৈতিক, অৰ্থনৈতিক, প্ৰতিৰক্ষা, সুৰক্ষা আৰু দুয়োখন দেশৰ জনসাধাৰণৰ মাজত থকা সম্পৰ্কৰ বৰ্তমান স্থিতি সন্দৰ্ভতো পৰ্য্যালোচনা কৰে।

এই বৈঠকৰ পাছতেই হাইদ্ৰাবাদ হাউচত আয়োজিত এক নৈশ আহাৰ অনুষ্ঠানত ভাগ লৈ বাণিজ্য মন্ত্ৰী পাৰ্কাৰে ফেব্ৰুৱাৰী 26, 2020 তাৰিখে মাননীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলক সাক্ষাত্ কৰে। একেটা দিনতে মন্ত্ৰী পাৰ্কাৰে মাননীয়া বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ সৈতেও মিলিত হয়।

উপ-প্ৰধানমন্ত্ৰী পিটাৰচে ফেব্ৰুৱাৰী 27, 2020 তাৰিখে পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী, প্ৰকাশ জাৱাড়েকাৰক সাক্ষাত্ কৰিব। আনহাতে নিউজিলেণ্ডৰ প্ৰতিনিধীৰ দলটোৱে মুম্বাই ভ্ৰমণ কৰি ভাৰতীয় উদ্যোগীসকলৰ সৈতে কথোপকথনত মিলিত হব।

নিউজিলেণ্ডৰ উপ-প্ৰধানমন্ত্ৰী গৰাকীয়ে ইতিমধ্যেই তেঁওৰ ভাৰত ভ্ৰমণৰ পূৰ্বে “ভাৰত ২০২৫- সম্বন্ধ ক্ষেত্ৰত বিনিয়োগ”, শীৰ্ষক এক নৱ-কৌশলগত পত্ৰ প্ৰকাশ কৰিছে যি ‘নিউজিলেণ্ড সন্মিলিত ভাৰত কৌশল ২০১১’ৰ ধাৰাবাহিক ৰূপ। ভাৰতীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী গৰাকীয়ে প্ৰকাশ কৰা অনুসৰি এই কৌশলগত পত্ৰই দুয়োখন দেশৰ মাজৰ সম্পৰ্ক উন্নত কৰাৰ প্ৰতি থকা সদিচ্ছাকে প্ৰকাশ কৰিছে যি পৰস্পৰৰে এক উমৈহতীয়া লক্ষ্য। সৌৰ শক্তি আৰু জলবায়ু সম্বন্ধীয় কাৰ্য্যৰ দিশত সহযোগিতাৰ

প্ৰসাৰতা বৃদ্ধিৰ বাবে আৰু লগতে ভাৰত-প্ৰশান্ত মহাসাগৰীয় উদ্যোক্তাৰ ক্ষেত্ৰতো সঁহাৰি প্ৰদান কৰাৰ বাবে নিউজিলেণ্ডক ভাৰতে ধন্যবাদ জ্ঞাপন কৰে।

দুয়ো পক্ষই ভাৰত-প্ৰশান্ত মহাসাগৰীয় ক্ষেত্ৰ সন্দৰ্ভত পৰস্পৰিক মতামতৰ আদান প্ৰদান কৰাৰ লগতে পূৱ এছিয়া সন্মিলন আৰু এনে প্ৰাসংগিক মঞ্চ সমূহত একেলগে কাম কৰি যোৱাৰ বাবে সহমত প্ৰকাশ কৰে। উক্ত ক্ষেত্ৰত শান্তি আৰু সুস্থিৰতা বজাই ৰখাৰ উদ্দেশ্যে ইউ এন চি এল অ এছ কে ধৰি সাৰ্বভৌমত্ব, ক্ষেত্ৰীয় অখণ্ডতা আৰু আন্তৰাষ্ট্ৰীয় আইনৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ মহত্ব সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। তেঁওলোকে এক সুস্থিৰ আন্তৰাষ্ট্ৰীয় বাণিজ্যিক পৰিবেশৰ প্ৰয়োজনীয়তা সন্দৰ্ভত আৰু লগতে বিশ্ব বাণিজ্য সংস্থাৰ সৈতেও গঠনমূলকভাৱে জড়িত হোৱাৰ দিশত সহমত প্ৰকাশ কৰে। তাৰোপৰি, ভাৰতবৰ্ষই ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ স্থায়ী সদস্যপদ লাভৰ বাবে অব্যাহত ৰখা চেষ্টাৰ দিশতো নিউজিলেণ্ডে নিজৰ পূৰ্ণ সমৰ্থন থকাৰ কথা প্ৰকাশ কৰে।

নিউজিলেণ্ডত, দিনক দিনে বৃদ্ধি পাই অহা ভাৰতীয় প্ৰবাসী আৰু ছাত্ৰ-ছাত্ৰী সকলে দুয়োখন দেশৰে মাজত এক শক্তিশালী সম্পৰ্ক গঢ়ি তুলিছে আৰু ই, দুয়োখন দেশৰে মাজত থকা আত্মীয়তাক এক নতুন ৰূপ দিয়াৰ ক্ষেত্ৰত সকাৰাত্মক ভূমিকা পালন কৰিছে।

**নতুন দিল্লী**
**ফেব্ৰুৱাৰী 26, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.